**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-07-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। উচ্চতম ন্যায়ালয় বিহাৰত নিৰ্বাচন আয়োগে চলাই থকা ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনীৰ অধীনত অহা ১ আগষ্টত খচৰা ভোটাৰ তালিকা প্ৰকাশত নিষেধাজ্ঞা আৰোপ কৰিবলৈ অমান্তি হৈছে।

২। লোকসভাত আজি পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰত্যুত্তৰ হিচাপে ভাৰতৰ শক্তিশালী, সফল আৰু নিৰ্ণায়ক অভিযান - অপাৰেচন সিন্দূৰ সন্দৰ্ভত বিশেষ আলোচনা অনুষ্ঠিত হয়।

৩। ড০ শ্যামা প্ৰসাদ মুখাৰ্জীৰ ১২৫ সংখ্যক জয়ন্তীৰ সৈতে সংগতি ৰাখি নতুন দিল্লীত আজি বিশেষ বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়।

৪। অপাৰেচন মহাদেৱৰ অধীনত শ্ৰীনগৰৰ হাৰৱানৰ লিডৱাছ অঞ্চলত আজি সেনাবাহিনৰ সৈতে হোৱা সংঘৰ্ষত তিনিগৰাকী সন্ত্ৰাসবাদী নিহত হৈছে।

***আৰু***

৫। ফিডে মহিলা বিশ্বকাপত ভাৰতৰ দিব্যা দেশমুখে স্বদেশৰেই কনেৰু হাম্পিক পৰাভূত কৰি খিতাপ দখল কৰিছে।

ooooo

। উচ্চতম ন্যায়ালয় বিহাৰত নিৰ্বাচন আয়োগে চলাই থকা ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনীৰ অধীনত অহা ১ আগষ্টত খচৰা ভোটাৰ তালিকা প্ৰকাশত নিষেধাজ্ঞা আৰোপ কৰিবলৈ অমান্তি হৈছে। ন্যায়াধীশ সূৰ্য্যকান্ত আৰু জয়মালা বাগ্‌ছীক লৈ গঠিত খণ্ড আদালতে কয়, যে আধাৰ কাৰ্ড আৰু ভোটদাতাৰ পৰিচয় পত্ৰকো এই সংশোধনীত নথি হিচাপে গ্ৰহণ কৰিবলৈ যোৱা ১০ জুলাইত আদালতে দিয়া নিৰ্দেশৰ জৰিয়তে আবেদনকাৰীৰ যুক্তিক ঔচিত্য প্ৰদান কৰা হৈছে। খণ্ড আদালতে ভোটাৰ তালিকা প্ৰকাশৰ ক্ষেত্ৰত কোনো আইন ভংগ হ'লে ইয়াক নাকচ কৰা হ'ব বুলিও স্পষ্ট কৰি দিয়ে। আদালতে স্পষ্ট কৰি দিয়ে, যে ভোটাৰ তালিকাৰ পৰা বৃহৎ সংখ্যক লোক বাদ পৰাতকৈ বৃহৎ সংখ্যক লোক অন্তৰ্ভুক্ত হোৱাটোহে নিৰ্বাচন আয়োগৰ

লক্ষ্য হোৱা উচিত। নিৰ্বাচন আয়োগক দাখিল কৰা ভোটাৰ কাৰ্ড ভুৱা হ'ব পাৰে বুলি আয়োগৰ অধিবক্তাই দৰ্শোৱা যুক্তি সন্দৰ্ভত খণ্ড আদালতে কয়, যে যিকোনো নথিয়েই জাল বা ভুৱা হ'ব পাৰে। এইসমূহৰ সত্যাসত্য বিচাৰ কৰাৰ দায়িত্ব কৰ্তৃপক্ষৰ।

ইয়াৰ আগতে এছ'ছিয়েচন অৰ ডেম'ক্ৰেটিক ৰিফৰ্মছ নামৰ সংস্থাটোৰ অধিবক্তা গোপাল শংকৰ নাৰায়ণনে বিহাৰৰ ভোটাৰ তালিকাৰ এই বিশেষ সংশোধনীৰ ফলত প্ৰায় ৪ কোটি ৫০ লাখ ভোটদাতা আহুকালত পৰিব বুলি যুক্তি দৰ্শায়। তেওঁ আধাৰ কাৰ্ড, ভোটাৰ কাৰ্ড আৰু ৰেচন কাৰ্ডকো মান্য নথি হিচাপে গণ্য কৰিবলৈ খণ্ড আদালতে যোৱা ১০ জুলাইত দিয়া নিৰ্দেশ নিৰ্বাচন আয়োগে পালন নকৰা বুলিও অভিযোগ কৰে।

গোচৰটোৰ পৰৱৰ্তী শুনানী শীঘ্ৰেই লোৱা হ'ব বুলি আদালতে দুয়োপক্ষৰ অধিবক্তাক জনায়।

ooooo

লোকসভাত আজি পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰত্যুত্তৰ হিচাপে ভাৰতৰ শক্তিশালী, সফল আৰু নিৰ্ণায়ক অভিযান - অপাৰেচন সিন্দূৰ সন্দৰ্ভত বিশেষ আলোচনা অনুষ্ঠিত হয়। এই আলোচনাৰ পাতনি মেলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয়, যে অপাৰেচন সিন্দূৰ কেৱল এটা সামৰিক অভিযানেই নাছিল, বৰং ই হৈছে ভাৰতৰ সাৰ্বভৌমত্ব, পৰিচয় তথা জনসাধাৰণৰ প্ৰতি চৰকাৰৰ দায়িত্ব আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ নীতিৰ ফলপ্ৰসূ আৰু নিৰ্ণায়ক প্ৰদৰ্শন। শ্ৰীসিঙে কয়, যে জম্মু-কাশ্মীৰৰ পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছতেই আৰম্ভ কৰা অপাৰেচন সিন্দূৰ দেশৰ সশস্ত্ৰ বাহিনীসমূহৰ দ্বাৰা এটা সুংসহত আক্ৰমণ আছিল আৰু এই আক্ৰমণে ৯ টাকৈ সন্ত্ৰাসবাদীৰ ঘাটি ধ্বংস কৰিছিল। এই অভিযানত ১০০ৰো অধিক সন্ত্ৰাসবাদী, সন্ত্ৰাসবাদীৰ প্ৰশিক্ষণৰ সৈতে জড়িত লোক নিহত হয় আৰু এইসমূহৰ অধিকাংশই জইছ-এ-মহম্মদ, লস্কৰ-ই-তৈয়বা আৰু হিজবুল মুজাহিদিন সন্ত্ৰাসবাদী সংগঠনৰ সৈতে জড়িত আছিল।

পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণত প্ৰাণ হেৰুওৱা নিৰীহ লোকসকলৰ পৰিয়ালক ন্যায় প্ৰদানৰ উদ্দেশ্যৰেই অপাৰেচন সিন্দূৰ অভিযান চলোৱা হৈছিল বুলি শ্ৰীসিঙে মন্তব্য কৰে। তেওঁ কয়, যে সন্ত্ৰাসবাদীৰ শিবিৰসমূহ ধ্বংস কৰাৰ লগতে পাকিস্তানলৈ সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শূণ্য সহনশীলতাৰ স্পষ্ট বাৰ্তা প্ৰেৰণৰ উদ্দেশ্যে এই অভিযান আৰম্ভ কৰা হৈছে। দেশৰ বায়ু প্ৰতিৰক্ষা ব্যৱস্থা, ড্ৰ'ণ প্ৰতিৰোধী ব্যৱস্থা সন্দৰ্ভত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে গৰ্ববোধ কৰে।

আলোচনাত ভাগ লৈ লোকসভাৰ কংগ্ৰেছ দলৰ দলপতি গৌৰৱ গগৈয়ে অভিযোগ কৰি কয়, যে বিৰোধী পক্ষই অপাৰেচন সিন্দূৰ সন্দৰ্ভত সদনত বিশেষ আলোচনাৰ বাবে দাবী জনাইছিল, কিন্তু চৰকাৰে অপাৰেচন সিন্দূৰৰ মূল বিষয়বোৰ আওকাণ কৰিছে। তেওঁ কয়, যে প্ৰতিৰক্ষা মন্ত্ৰীয়ে বহুসময় বক্তৃতা দিলে, কিন্তু সন্ত্ৰাসবাদীয়ে কেনেকৈ পেহেলগামত প্ৰৱেশ কৰিলে আৰু কেনেকৈ ২৬ জনকৈ নিৰপৰাধী লোকক হত্যা কৰিবলৈ পালে, সেই প্ৰশ্নৰ উত্তৰ এৰাই চলিলে। অপাৰেচন সিন্দূৰ সন্দৰ্ভত সকলো তথ্য চৰকাৰে প্ৰকাশ কৰা নাই বুলিও শ্ৰীগগৈয়ে অভিযোগ কৰে।

ooooo

বিভিন্ন বিষয় লৈ বিৰোধীয়ে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি ৰাজ্যসভাৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়। পূৰ্বে ৰাজ্যসভাৰ কাম-কাজ দ্বিতীয়বাৰৰ বাবে স্থগিত ৰখাৰ পাছত

দিনৰ ২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত প্ৰিজাইডিং বিষয়া ভূবনেশ্বৰ কলিতাই সমুদ্ৰ পথেৰে সামগ্ৰী পৰিবহণ বিধেয়ক-২০২৫ বিবেচনা আৰু গৃহীত কৰাৰ বাবে উত্থাপনৰ প্ৰয়াস কৰে আৰু উত্থাপন কৰে যদিও বিৰোধীসকলে তেওঁলোকৰ প্ৰতিবাদ অব্যাহত ৰাখে। এনে হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সভাপতিয়ে সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ঘোষণা কৰে।

ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত উচ্চ সদন মিলিত হোৱাৰ সময়ত এ আই এ ডি এম কেৰ দুগৰাকী সাংসদ - এম ধনপাল আৰু আই এছ ইনবাডুৰাইয়ে শপত গ্ৰহণ কৰে। উপ-সভাপতি হৰিবংশে প্ৰকাশ কৰা অনুসৰি, বিভিন্ন বিষয়ৰ সৈতে জড়িত পৃথক পৃথক ৰাজনৈতিক দলসমূহৰ পৰা তেওঁ ২৬ খন সভা স্থগিতকৰণৰ জাননী লাভ কৰে যদিও এই জাননীসমূহ অগ্ৰাহ্য কৰা হয়। ইয়াৰ পাছত তেওঁ শূণ্য ঘণ্টা ঘোষণা কৰাৰ চেষ্টা চলায় যদিও বিৰোধীয়ে প্ৰতিবাদ অব্যাহত ৰখাৰ পৰিপ্ৰেক্ষিতত সভাৰ কাম-কাজ দুপৰীয়া ১২ বজালৈকে স্থগিত ৰখা হয়। ইয়াৰ পাছত সভা পুনৰ মিলিত হোৱাৰ সময়ত একেধৰণৰ পৰিৱেশেই বিৰাজ কৰাৰ ফলত পুনৰ ইয়াৰ কাম-কাজ দিনৰ ২ বজা পৰ্য্যন্ত স্থগিত ঘোষণা কৰা হয়।

০০০০০

ড০ শ্যামা প্ৰসাদ মুখাৰ্জীৰ ১২৫ সংখ্যক জয়ন্তীৰ সৈতে সংগতি ৰাখি গুৰু উদ্যোগ মন্ত্ৰালয়ে আজি নতুন দিল্লীত এখন বিশেষ বক্তৃতানুষ্ঠানৰ আয়োজন কৰে। এই অনুষ্ঠানত কেন্দ্ৰীয় গুৰু উদ্যোগ ৰাজ্য মন্ত্ৰী ভূপতি ৰাজু শ্ৰীনিৱাস বাৰ্মাই সংবিধান সভাৰ এগৰাকী সদস্য আৰু পৰৱৰ্তী সময়ত কেন্দ্ৰীয় উদ্যোগ আৰু যোগান মন্ত্ৰী হিচাপে ড০ মুখাৰ্জীৰ প্ৰধান ভূমিকা আৰু অৱদান সন্দৰ্ভত আলোকপাত কৰে। ভাৰতৰ ঔদ্যোগিক খণ্ড আৰু প্ৰতিষ্ঠানগত  উন্নয়নৰ বাবে প্ৰয়াত মুখাৰ্জীৰ মৌলিক অৱদান সন্দৰ্ভতো তেওঁ মন্তব্য আগবঢ়ায়। ড০ মুখাৰ্জীক এগৰাকী প্ৰথিতযশা পণ্ডিত, ৰাষ্ট্ৰ নিৰ্মাতা, নিৰ্ভীক সাংসদ আৰু শিক্ষাবিদ বুলি অভিহিত কৰি মন্ত্ৰীগৰাকীয়ে এখন ৰাষ্ট্ৰ, এখন সংবিধানৰ আদৰ্শৰ প্ৰতি তেওঁৰ দৃঢ় বিশ্বাস আৰু তেওঁৰ সাহসক স্মৰণ কৰে।

ড০ শ্যামা প্ৰসাদ মুখাৰ্জীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি আজিৰ অনষ্ঠানত তেওঁৰ জীৱন আৰু কৰ্মৰাজিৰ প্ৰতিফলনেৰে এখন চুটি ছবিও প্ৰদৰ্শন কৰা হয়।

০০০০০

অপাৰেচন মহাদেৱৰ অধীনত শ্ৰীনগৰৰ হাৰৱানৰ লিডৱাছ অঞ্চলত আজি সেনাবাহিনৰ সৈতে হোৱা সংঘৰ্ষত তিনিগৰাকী সন্ত্ৰাসবাদী  নিহত হয়। সামাজিক মাধ্যম এক্স হেণ্ডেলত সেনা বাহিনীয়ে এই কথা সদৰী কৰে। উল্লেখযোগ্য যে, যোৱা ২২ এপ্ৰিলত পেহেলগামত হোৱা আক্ৰমণৰ ঘটনাত এই তিনি গৰাকী সন্ত্ৰাসবাদী জড়িত আছিল। কাশ্মীৰৰ আৰক্ষী মহাপৰিদৰ্শকে আকাশবাণীৰ শ্ৰীনগৰৰ সংবাদাতাক জনোৱা অনুসৰি, নিহত সন্ত্ৰাসবাদীকেইজনক চিনাক্ত কৰা হৈছে আৰু পৰৱৰ্তী সময়তো এই অভিযান চলি থাকিব।

০০০০০

ভাৰত সঞ্চাৰ নিগম লিমিটেড - BSNL-এ ২০২৪-২৫ বিত্তীয় বৰ্ষৰ তৃতীয় আৰু চতুৰ্থ ত্ৰিমাসিকত একেৰাহে ২৬০ কোটি আৰু ২৮০ কোটি টকাৰ লাভ পঞ্জীয়ন কৰিছে। নতুন দিল্লীত অনুষ্ঠিত বি এছ এন এলৰ মুখ্য মহা-প্ৰৱন্ধকৰ উচ্চ পৰ্য্যায়ৰ প্ৰথমখন পৰ্য্যালোচনা বৈঠকত অধ্যক্ষতা কৰি কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই এইদৰে কয়। বি এছ এন এলৰ সহযোগত দূৰসংযোগ বিভাগে আয়োজন কৰা এই বৈঠকত দূৰসংযোগৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ২০২৪-২৫ বৰ্ষত অভিলেখ পৰিমাণৰ ধন বিনিয়োগ কৰা বুলিও

মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে কয়, যে BSNL-এ বিগত বৰ্ষত ৮ কোটি ৫৫ লাখ গ্ৰাহকৰ পৰা চলিত বৰ্ষৰ জুন মাহ পৰ্য্যন্ত ৯ কোটি গ্ৰাহক সংযোগ কৰিবলৈ সমৰ্থ হৈছে।

ooooo

ফিডে মহিলা বিশ্বকাপত ভাৰতৰ দিব্যা দেশমুখে খিতাপ অৰ্জন কৰিছে। জৰ্জিয়াৰ বাটুমিত অনুষ্ঠিত প্ৰতিযোগিতাৰ ফাইনেলত দিব্যা দেশমুখে স্বদেশৰেই কনেৰু হাম্পিক পৰাভূত কৰি খিতাপ দখল কৰে। তিনিদিন ধৰি চলা খেলখনত দিব্যাই টাই ব্ৰেকাৰৰ সহায়ত ২ দশমিক ৫ - ১ দশমিক ৫ ফলাফলত জয়লাভ কৰে। কালি আৰু  পৰহি হোৱা ফাইনেল খেল দুখন ড্ৰ হোৱাৰ পাছত টাই ব্ৰেকাৰৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ফিডে মহিলা বিশ্বকাপত খিতাপ দখল কৰা ভাৰতীয় দবা খেলুৱৈ দিব্যা দেশমুখ আৰু প্ৰতিযোগিতাৰ ৰাণাৰ আপ কনেৰু হাম্পিক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমতী মুৰ্মুৱে ১৯ বছৰ বয়সত এই খিতাপ দখল কৰা প্ৰথমগৰাকী ভাৰতীয় মহিলা দবা খেলুৱৈ হিচাপে বিবেচিত হোৱা দিব্যাৰ শলাগ লয়। শ্ৰীমতী মুৰ্মুৱে কনেৰু হাম্পিকো উন্নত প্ৰদৰ্শনৰ বাবে অভিনন্দন জ্ঞাপন কৰে। এই দুয়োগৰাকী খেলুৱৈয়ে ভৱিষ্যতেও দেশলৈ গৌৰৱ কঢ়িয়াই অনাৰ লগতে যুৱ প্ৰজন্মক অনুপ্ৰাণিত কৰিব বুলি শ্ৰীমতী মুৰ্মুৱে আশা প্ৰকাশ কৰে।

ooooo

সমাপ্ত